# KKHSOU Organises 12th Krishna Kanta Handiqui Memorial Lecture




**The Assam Rising, Guwahati, July 20 :** Krishna Kanta Handiqui State Open University (KKHSOU) organised the 12th Krishna Kanta Handiqui Memorial Lecture at its City Campus, Khanapara, on 20th July, 2026 commemorating the 128th birth anniversary of the late Krishna Kanta Handique, the eminent scholar, educationist, linguist and indologist whose contributions continue to shape the intellectual and academic landscape of Assam as well as India. In his welcome address, Prof. Joydeep Baruah paid homage to Krishna Kanta Handique's enduring legacy as one of India's foremost scholars and highlighted his invaluable contributions to higher education, classical studies and Assamese intellectual traditions. He remarked that the annual memorial lecture serves as a fitting tribute to Handique's vision by fostering critical academic engagement on issues of national and regional significance. Delivering the memorial lecture on "Imagining the Future of Educational Landscape in India's North East," Prof. Soumendra Mohan Patnaik, Department of Anthropology, University of Delhi reflected on the changing contours of higher education in the region in the light of the National Education Policy (NEP) 2020. Stressing the need for an inclusive and multidisciplinary educational framework, he observed that India's North East should be viewed not merely as a geographical region but as a repository of diverse cultures, indigenous knowledge systems and intellectual traditions. He underscored the importance of integrating local epistemologies with global academic perspectives to build an education system that is both socially relevant and globally competitive. Referring to the educational philosophy of Sri Aurobindo, he further noted that the true purpose of education lies in nurturing critical inquiry, ethical values and the holistic development of individuals rather than limiting itself to employability alone. In his presidential remarks, the Hon'ble Vice-Chancellor reaffirmed the University's commitment to carrying forward the educational ideals of Krishna KantaHandique through quality, inclusive and learner-centric education. He observed that the University remains steadfast in its mission of promoting academic excellence while responding meaningfully to the evolving needs of society. The programme concluded with a Vote of Thanks proposed by Prof. Pranab Saikia, Registrar, KKHSOU, who expressed gratitude to the distinguished speaker, dignitaries, faculty members, research scholars, students and members of the organising committee for their valuable presence and contribution to the success of the event. The programme was attended by the staff , research scholars and faculty members of the University and other invited guests. It was gracefully anchored by Dr. Trisha DowerahBaruah, Assitant Professor , Department of Mass Communication, KKHSOU. The memorial lecture provided an enriching platform for meaningful deliberations on the future of education in India's North East while reaffirming Krishna KantaHandique's enduring legacy as a visionary scholar whose ideals continue to inspire academic excellence and intellectual inquiry.

প্ৰতিফলন। পাৰদৰ্শনৰ অন্তত সাংবাদিকৰ ১০ পৃষ্ঠাত

## কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক বিশ্ববিঃত স্মাৰক বক্তৃতানুষ্ঠানত সৌমেন্দ্ৰ মোহন পাটনায়ক

# উত্তৰ-পূৰ্বাঞ্চল বিচিত্ৰ সংস্কৃতি-বৌদ্ধিক পৰম্পৰাৰ আপুৰুগীয়া ভাণ্ডাৰ



**গুৱাহাটী, ২০ জুলাই ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে খানাপাৰস্থিত নগৰ কাৰ্যালয়ৰ সভাগৃহত আজি অসম তথা ভাৰতৰ বৌদ্ধিক আৰু শৈক্ষিক পটভূমি সমৃদ্ধ কৰাত মহৎ অৱদান আগবঢ়াই যোৱা স্বনামধন্য পণ্ডিত, শিক্ষাবিদ, ভাষাতাত্ত্বিক আৰু প্ৰাচ্যতত্ত্ববিদ কৃষ্ণকান্ত সন্দিকৈৰ ১২৮সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে দ্বাদশ স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত দিয়া আদৰণী ভাষণত অধ্যাপক জয়দীপ বৰুৱাই পদ্ধিতপ্ৰৱৰলৈ শ্ৰদ্ধা নিবেদন কৰি কয় যে কৃষ্ণকান্ত সন্দিকৈ হ'ল ভাৰতৰ আগশাৰীৰ

(পৃষ্ঠা

21/07/2026 09:58

## উত্তৰ-পূৰ্বাঞ্চল বিচিত্ৰ সংস্কৃতি-বৌদ্ধিক পৰম্পৰাৰ

শৈক্ষিক ঐতিহ্যৰ ধ্বজাবাহকসকলৰ এজন। তেওঁ উচ্চ শিক্ষা, ধ্ৰুপদী সাহিত্য অধ্যয়ন আৰু অসমীয়া বৌদ্ধিক পৰম্পৰালৈ অমূল্য বৰঙণি আগবঢ়াই থৈ গৈছে। বিশ্ববিদ্যালয়ে প্ৰতি বছৰে আয়োজন কৰা কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বক্তৃতানুষ্ঠানৰ আঁৰৰ উদ্দেশ্য ব্যাখ্যা কৰি অধ্যাপক বৰুৱাই কয় যে এয়া ৰাষ্ট্ৰীয় তথা আঞ্চলিক তাৎপৰ্য বহনকাৰী বিষয়ত সমালোচনামূলক শৈক্ষিক চিন্তা-চৰ্চাৰ পোষকতাকাৰী পণ্ডিতগৰাকীলৈ যথাৰ্থ শ্ৰদ্ধাঞ্জলি। দিল্লী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিজ্ঞান বিভাগৰ অধ্যাপক সৌমেন্দ্ৰ মোহন পাটনায়কে 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত শৈক্ষিক পৰিৱেশৰ ভৱিষ্যৎ অনুমান' শিৰোনামেৰে এই বছৰৰ স্মাৰক বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ প্ৰৱৰ্তনে কেনেদৰে অঞ্চলটোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ পৰিৱৰ্তন কঢ়িয়াই আনিছে তাৰ উল্লেখ কৰে। সৰ্বাত্মক আৰু বহু বিভাগীয় শৈক্ষিক সংৰচনাৰ আৱশ্যকতাত জোৰ দি অধ্যাপক পাটনায়কে কয় যে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল কেৱল এটা ভৌগলিক অঞ্চল নহয়, ই বিচিত্ৰ সংস্কৃতি, খিলঞ্জীয়া জ্ঞান প্ৰণালী আৰু বৌদ্ধিক পৰম্পৰাৰ আপুৰুগীয়া ভাণ্ডাৰ। তেওঁ সামাজিকভাৱে প্ৰাসংগিক আৰু বিশ্বজনীনভাৱে প্ৰতিদ্বন্দ্বিতামূলক শৈক্ষিক ব্যৱস্থা এটা গঢ়ি তুলিবলৈ স্থানীয় জ্ঞানাধাৰ আৰু বিশ্বজনীন দৃষ্টিভংগীৰ মাজত সংহতি স্থাপনৰ প্ৰয়োজনীয়তাত আলোকপাত কৰে। শ্ৰীঅৰবিন্দৰ শৈক্ষিক দৰ্শনৰ উল্লেখ কৰি অধ্যাপক পাটনায়কে ইয়াকো কয় যে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ল ব্যক্তিৰ সমালোচনাত্মক দৃষ্টিভংগীৰে কথা বিচাৰ কৰি চাব পৰা সামৰ্থ বিকশিত কৰা, নৈতিক প্ৰমূল্য প্ৰতিষ্ঠা কৰা আৰু সৰ্বাংগীণ বিকাশ সাধন কৰা। ব্যক্তিক কেৱল কৰ্মসংস্থাপন লাভৰ যোগ্য কৰি তোলাটোৱেই শিক্ষাৰ উদ্দেশ্য নহয়। সভাপতিৰ আসনৰ পৰা দিয়া ভাষণত উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে কৃষ্ণকান্ত সন্দিকৈৰ শৈক্ষিক আদৰ্শসমূহ উৎকৃষ্ট মানৰ, সৰ্বাত্মক আৰু শিক্ষাৰ্থী অনুকূল শিক্ষাৰ মাধ্যমেৰে আগবঢ়াই নিবলৈ থকা বিশ্ববিদ্যালয়ৰ সংকল্পবদ্ধতাৰ কথা পুনৰ দোহাৰে। তেওঁ কয় যে সমাজৰ ক্ৰমপৰিৱৰ্তনশীল প্ৰয়োজনীয়তাবোৰলৈ অৰ্থৱহ সঁহাৰি জনাই বিশ্ববিদ্যালয়খনে ইয়াৰ শৈক্ষিক উৎকৰ্ষৰ পোষকতাকাৰী অভিযান অবিৰতভাৱে আগবঢ়াই লৈ গৈ আছে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়াই অনুষ্ঠানটোত উপস্থিত নিমন্ত্ৰিত বক্তা প্ৰমুখ্যে সকলো শিক্ষক-শিক্ষাৰ্থী-বিষয়া-কৰ্মচাৰীৰ শলাগ লৈ অনুষ্ঠানটো সফল কৰাত অৱদান আগবঢ়োৱা আয়োজক সমিতিৰ সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে। বিশ্ববিদ্যালয়ৰ গণ সংযোগ বিভাগৰ সহকাৰী অধ্যাপিকা ড° তৃষা দুৱৰা বৰুৱাই আঁতধৰা আজিৰ বক্তৃতানুষ্ঠানটোৱে উপস্থিতসকলক যুগদ্ৰষ্টা পণ্ডিত সন্দিকৈৰ জ্ঞানৰ ব্যুৎপত্তি স্মৰণ কৰোৱাৰ লগতে উত্তৰ-পূব ভাৰতত শিক্ষাৰ ভৱিষ্যৎ সম্পৰ্কেও চিন্তাৰ খোৰাক যোগায়।

21/07/2026 09:58

17:31

### কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিঃত স্মাৰক বক্তৃতানুষ্ঠানত সৌমেন্দ্ৰ মোহন পাটনায়ক

# ‘উত্তৰ-পূৰ্বাঞ্চল বৌদ্ধিক পৰম্পৰাৰ আপুৰুগীয়া ভাণ্ডাৰ’

**গুৱাহাটী,** ২০ জুলাই ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ইয়াৰ খানাপাৰস্থিত নগৰ কাৰ্যালয়ৰ সভাগৃহত আজি অসম তথা ভাৰতৰে বৌদ্ধিক আৰু শৈক্ষিক পটভূমিক সমৃদ্ধ কৰি তোলাত মহৎ অৱদান আগবঢ়াই যোৱা স্বনামধন্য পণ্ডিত, প্ৰাচ্যতত্ত্ববিদ কৃষ্ণকান্ত সন্দিকৈৰ ১২৮সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে দ্বাদশ স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত দিয়া আদৰণি ভাষণত অধ্যাপক জয়দীপ বৰুৱাই পণ্ডিতপ্ৰবৰলৈ শ্ৰদ্ধা নিবেদন কৰি কয় যে সন্দিকৈ হ'ল ভাৰতৰ আগশাৰীৰ শৈক্ষিক ঐতিহ্যৰ ধ্বজাবাহকসকলৰ এজন। তেওঁ উচ্চ শিক্ষা, ধ্ৰুপদী সাহিত্য অধ্যয়ন আৰু অসমীয়া বৌদ্ধিক পৰম্পৰালৈ অমূল্য বৰঙণি আগবঢ়াই থৈ গৈছে। দিল্লী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিজ্ঞান বিভাগৰ অধ্যাপক সৌমেন্দ্ৰ মোহন পাটনায়কে ‘ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত শৈক্ষিক পৰিৱেশৰ ভৱিষ্যৎ অনুমান’ শিৰোনামেৰে এই বছৰৰ স্মাৰক বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ প্ৰৱৰ্তনে কেনেদৰে অঞ্চলটোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ পৰিৱৰ্তন কঢ়িয়াই আনিছে তাৰ বিষয়ে উল্লেখ কৰে। অধ্যাপক পাটনায়কে কয় যে ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল কেৱল এটা ভৌগলিক অঞ্চল নহয়, ই বিচিত্ৰ সংস্কৃতি, থলুৱা জ্ঞান প্ৰণালী আৰু বৌদ্ধিক পৰম্পৰাৰ আপুৰুগীয়া ভাণ্ডাৰ। তেওঁ সামাজিকভাৱে প্ৰাসংগিক আৰু বিশ্বজনীনভাৱে প্ৰতিদ্বন্দ্বিতামূলক শৈক্ষিক ব্যৱস্থা এটা গঢ়ি তুলিবলৈ স্থানীয় জ্ঞানাধাৰ আৰু বিশ্বজনীন দৃষ্টিভংগীৰ মাজত সংহতি স্থাপনৰ প্ৰয়োজনীয়তাক আলোকপাত কৰে। সভাপতিৰ আসনৰ পৰা দিয়া ভাষণত উপাচাৰ্য অধ্যাপক ৰাজেন্দ্ৰ প্ৰসাদ দাসে কৃষ্ণকান্ত সন্দিকৈৰ শৈক্ষিক আদৰ্শসমূহ উৎকৃষ্টমানৰ, সৰ্বাত্মক আৰু শিক্ষাৰ্থী অনুকূল শিক্ষাৰ মাধ্যমেৰে আগবঢ়াই নিবলৈ থকা বিশ্ববিদ্যালয়ৰ সংকল্পবদ্ধতাৰ কথা পুনৰবাৰ দোহাৰে। বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক প্ৰণৱ শইকীয়াই আজিৰ অনুষ্ঠানত উপস্থিত নিমন্ত্ৰিত বক্তা প্ৰমুখ্যে সকলো শিক্ষক-শিক্ষাৰ্থী, বিষয়া-কৰ্মচাৰীৰ শলাগ লয়। বিশ্ববিদ্যালয়ৰ গণ সংযোগ বিভাগৰ সহকাৰী অধ্যাপিকা ড° তৃষা দুৱৰা বৰুৱাই আঁত ধৰা বক্তৃতানুষ্ঠানটোৱে উত্তৰ-পূৱ ভাৰতত শিক্ষাৰ ভৱিষ্যৎ সম্পৰ্কেও চিন্তাৰ খোৰাক যোগায়।

## চৰকাৰৰ দ্বিতী

# বৰছল ধান

**ঠেলামৰা** ঃ নিজা বাতৰি দিওঁতা, ২০ ২০২৫-২৬ বৰ্ষৰ খাৰিফ বিপণন বতৰৰ

কেন্দ্ৰই আশংকা ব্যক্ত কৰিছিল। কিন্তু আজিৰ পৰা ভালেমান ঠাইত বতৰৰ গতিবিধি পৰিবৰ্তন হয়। সেই অনুসৰি দিল্লী, মহাৰাষ্ট্ৰ, পশ্চিমবংগ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, ৰাজস্থান, উত্তৰ প্ৰদেশ, বিহাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় আটাইকেইখন

হৈছে বতৰ বিজ্ঞানৰ ফালৰ পৰাই। অহা ২৫ জুলাইলৈকে এই বৃষ্টিপাতৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। ইয়াৰ ফলত হিমালয়ৰ পাদ দেশৰ এলেকাৰ জনসাধাৰণক পাৰ্যমানে সাৱধান হৈ থাকিবলৈ

প্ৰবল বৃষ্টিপাত হ'ব পাৰে বুলি সতৰ্ক বাৰ্তা দিয়া হৈছে। বিশেষকৈ অহা মঙল আৰু বুধবাৰে আৰু বৃহস্পতিবাৰে ঠাইবিশেষত প্ৰবলৰ পৰা অধিক প্ৰবল বৃষ্টিপাতৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে

### কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

# দ্বাদশ কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বক্তৃতানুষ্ঠান

**প্ৰতিদিন সংবাদ, গুৱাহাটী, ২০ জুলাই ঃ** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে ইয়াৰ খানাপাৰাস্থিত নগৰ কাৰ্যালয়ৰ সভাগৃহত আজি স্বনামধন্য পণ্ডিত, শিক্ষাবিদ, ভাষাতাত্ত্বিক আৰু প্ৰাচ্যতত্ত্ববিদ কৃষ্ণকান্ত সন্দিকৈৰ ১২৮ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে দ্বাদশ স্মাৰক বক্তৃতানুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত দিয়া আদৰণী ভাষণত অধ্যাপক জয়দীপ বৰুৱাই পণ্ডিতপ্ৰৱৰলৈ শ্ৰদ্ধা নিবেদন কৰে। বিশ্ববিদ্যালয়ে প্ৰতি বছৰে আয়োজন কৰা কৃষ্ণকান্ত সন্দিকৈ স্মাৰক বক্তৃতানুষ্ঠানৰ আঁৰৰ উদ্দেশ্য ব্যাখ্যা কৰি অধ্যাপক বৰুৱাই কয় যে এয়া ৰাষ্ট্ৰীয় তথা আঞ্চলিক তাৎপৰ্য বহনকাৰী বিষয়ত সমালোচনামূলক শৈক্ষিক চিন্তা-চৰ্চাৰ পোষকতাকাৰী পণ্ডিতগৰাকীলৈ এক যথাৰ্থ শ্ৰদ্ধাঞ্জলি। দিল্লী বিশ্ববিদ্যালয়ৰ নৃতত্ত্ব বিজ্ঞান বিভাগৰ অধ্যাপক সৌমেন্দ্ৰ মোহন পাটনায়কে 'ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত শৈক্ষিক পৰিবেশৰ ভৱিষ্যৎ অনুমান' শিৰোনামেৰে এই বছৰৰ স্মাৰক বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ প্ৰৱৰ্তনে কেনেদৰে অঞ্চলটোৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনলৈ পৰিবৰ্তন কঢ়িয়াই আনিছে সেয়া উল্লেখ কৰে। পাটনায়কে কয় যে উত্তৰ-পূৰ্বাঞ্চল কেৱল এটা ভৌগোলিক অঞ্চল নহয়, ই বিচিত্ৰ সংস্কৃতি, খিলঞ্জীয়া জ্ঞান প্ৰণালী আৰু বৌদ্ধিক পৰম্পৰাৰ আপুৰুগীয়া ভাণ্ডাৰ। সভাপতিৰ আসনৰ পৰা দিয়া ভাষণত উপাচাৰ্য ৰাজেন্দ্ৰ প্ৰসাদ দাসে কৃষ্ণকান্ত সন্দিকৈৰ শৈক্ষিক আদৰ্শসমূহ উৎকৃষ্ট মানৰ, সৰ্বাত্মক আৰু শিক্ষাৰ্থী অনুকূল শিক্ষাৰ মাধ্যমেৰে আগবঢ়াই নিবলৈ থকা বিশ্ববিদ্যালয়ৰ সংকল্পবদ্ধতাৰ কথা পুনৰবাৰ দোহাৰে। বিশ্ববিদ্যালয়ৰ গণ সংযোগ বিভাগৰ সহকাৰী অধ্যাপিকা ড° তৃষা দুৱৰা বৰুৱাই আঁত ধৰা আজিৰ বক্তৃতানুষ্ঠানটোত পঞ্জীয়ক প্ৰণৱ শইকীয়াই শলাগৰ শৰাই আগবঢ়ায়।

### জাপানী এনকেফেলাইটিছ

## ৰাইদঙীয়া ফুলগুৰি গাঁৱৰ এজনৰ মৃত্যু

**প্ৰতিদিন সেৱা, বটদ্ৰৱা, ২০ জুলাই ঃ** জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ ৰাইদঙীয়া ফুলগুৰি গাঁৱৰ হলিৰাম পাতৰ নামৰ এগৰাকী ব্যক্তিৰ যোৱা নিশা নিজ বাসগৃহত মৃত্যু হয়। ৭৩ বছৰীয়া পাতৰ এমাহপূৰ্বে জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছিল। পৰৱৰ্তী সময়ত তেওঁক নগাঁও আৰু গুৱাহাটীত ৰাখি চিকিৎসা প্ৰদান কৰাই কালি নিজ বাসগৃহলৈ লৈ অনা হৈছিল। ভাৰতীয় মৰাপাট নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হলিৰাম পাতৰে গাঁৱৰ বিভিন্ন ধৰ্মীয় আৰু সামাজিক জীৱনৰ লগত জড়িত হৈ সেৱা আগবঢ়াইছিল। শান্ত প্ৰকৃতিৰ, মৰমিয়াল, গুৰুজনাৰ একান্ত সেৱক হলিৰাম পাতৰৰ বিয়োগত নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ

### ছোনম ৱাংচুকৰ আন্দোলনৰ প্ৰতি সমৰ্থন